**ISSN :** 2277-5277

# লোক-সংস্কৃতিৰ জৰিয়তে থলুৱা প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণত নাৰীৰ ভূমিকা

*ৰিমঝিম গগৈ*

**বিষয়ৰ পৰিচয় ঃ**

লোক-সংস্কৃতি লোকজীৱনৰ সংস্কৃতি। এটা জাতিৰ স্বকীয় বৈশিষ্ট্যসূচক ৰীতি-নীতি, পৰম্পৰা, আচাৰ-বিশ্বাস, উৎসৱ-পাৰ্বণ, খাদ্যাভ্যাস, সাজপাৰ, এই সকলোবোৰেই লোক-সংস্কৃতিৰ অন্তৰ্গত। লোকসংস্কৃতি প্ৰবাহমান। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ নিৰৱধি গতিত প্ৰবাহমান হয়। অৱশ্যে সময়ৰ সোঁতত ইয়াত পৰিৱৰ্তনৰ সংযোগ-বিয়োগ হ'লেও স্বকীয়তা বৰ্তাই ৰাখিবলৈ সক্ষম হয়।

লোক-সংস্কৃতি লোকজ্ঞানেৰে ভৰপূৰ। প্ৰকৃতিৰ সন্তানসকলে প্ৰকৃতিৰ সৈতে সহবাস কৰি প্ৰকৃতিৰ বুকুৰ পৰা কিছুমান জ্ঞান আহৰণ কৰে। তেনে জ্ঞানসমূহেই প্ৰাকৃতিক জ্ঞানৰূপে পৰিচিত। এই জ্ঞানসমূহক দৈনন্দিন জীৱন-যাপন প্ৰণালীত প্ৰয়োগ কৰাৰ লগতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ ফুৰে। এনেধৰণৰ থলুৱা প্ৰাকৃতিক জ্ঞানসমূহক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ গতিশীলতা প্ৰদান কৰি সংৰক্ষণৰ ক্ষেত্ৰত এটা সম্প্ৰদায়ৰ নাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ গ্ৰাম্য সমাজত প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষক হিচাপে নাৰীৰ অৱদান উল্লেখনীয়। কৃষি-কাৰ্য, উৎসৱ-পাৰ্বণ, পৰম্পৰাগত খাদ্যাভ্যাস, চিকিৎসা ইত্যাদি জীৱন নিৰ্বাহৰ লগত জড়িত ক্ষেত্ৰসমূহত প্ৰাকৃতিক জ্ঞানৰ প্ৰয়োগেৰে নাৰীসকলে এই জ্ঞান সংৰক্ষণ কৰি আহিছে। উল্লিখিত বিশেষ ক্ষেত্ৰসমূহত প্ৰযোজ্য হোৱা প্ৰাকৃতিক জ্ঞানসমূহ লোক-সংস্কৃতিৰো গুৰুত্বপূৰ্ণ অংগ। এই প্ৰাকৃতিক জ্ঞানবোৰক নীতি-নিয়মৰ মাজেৰে প্ৰতিটো ক্ষেত্ৰত প্ৰয়োগ কৰি একোখন সমাজৰ নাৰীসকলে বৰ্তমানেও সংৰক্ষক হিচাপে দায়িত্ব পালন কৰি আহিছে।

প্ৰদত্ত গৱেষণা পত্ৰখনিত উল্লিখিত বিষয়সমূহৰ লগত জড়িত প্ৰাকৃতিক জ্ঞানসমূহ কি, কেনেদৰে প্ৰয়োগ কৰি আহিছে আৰু লোক-সংস্কৃতিৰ আলোকেৰে কেনেদৰে নাৰীসকলে সংৰক্ষণ কৰি আহিছে সেইসম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**উদ্দেশ্য ঃ**

"লোক-সংস্কৃতিৰ জৰিয়তে থলুৱা প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণত নাৰীৰ ভূমিকা"— শীৰ্ষক গৱেষণাপত্ৰখনিৰ একমাত্ৰ উদ্দেশ্য হ'ব লোক-সংস্কৃতিৰ জৰিয়তে নাৰীয়ে কেনেদৰে থলুৱা প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণ কৰে সেই সম্পৰ্কে আলোচনা কৰা। ইয়াকে অধ্যয়ন কৰিবলৈ যাওঁতে মূল উদ্দেশ্যক কেইটামান উপভাগত ভাগ কৰি লোৱা হৈছে—

১। কৃষিৰ লগত জড়িত প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষক হিচাপে নাৰীৰ ভূমিকা অধ্যয়ন কৰা;

২। উৎসৱৰ লগত জড়িত থকা প্ৰাকৃতিক জ্ঞানসমূহক নাৰীয়ে কেনেদৰে সংৰক্ষণ কৰি আহিছে সেই সম্পৰ্কে আলোচনা কৰা;

৩। লোকখাদ্যৰ লগত সম্পৰ্কিত প্ৰাকৃতিক জ্ঞানসমূহৰ সংৰক্ষণত নাৰীৰ অৱদান বিচাৰ কৰা;

৪। পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৰ লগত জড়িত প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষক হিচাপে নাৰীৰ ভূমিকা অধ্যয়ন কৰা।

**উৎস আৰু পদ্ধতি ঃ**

প্ৰস্তাৱিত গৱেষণা কৰ্মটি উপস্থাপন কৰিবলৈ যাওঁতে কিছু তথ্য আহৰণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিব। গৱেষণা কৰ্মটিৰ মূল উদ্দেশ্যত উপনীত হ'বৰ বাবে দুইধৰণৰ সমল উৎসৰ সহায় লোৱা হ'ব—

ক) **মুখ্য উৎস ঃ** মুখ্য উৎস হিচাপে 'লোক-সংস্কৃতি' বিষয়ক গ্ৰন্থসমূহৰ সহায় লোৱা হ'ব।

খ) **গৌণ উৎস ঃ** গৌণ উৎস হিচাপে বিভিন্ন প্ৰাসংগিক গ্ৰন্থ গৱেষণা গ্ৰন্থ, সম্পাদিত গ্ৰন্থ, আলোচনী, ইণ্টাৰনেট আদিৰ সহায় লোৱা হ'ব।

প্ৰদত্ত গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব। প্ৰয়োজন অনুসৰি বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হ'ব।

**মূল বিষয়ৰ আলোচনা ঃ**

প্ৰকৃতিৰ সন্তানসকলে তথা থলুৱা সম্প্ৰদায়সমূহে জ্ঞানৰ ভঁৰাল টনকিয়াল কৰে পৰিৱেশৰ পৰা লাভ কৰা অভিজ্ঞতাৰ জৰিয়তে। প্ৰকৃতিৰ প্ৰতিটো দিশৰ যেনে প্ৰকৃতিৰ ব্যৱহাৰ, প্ৰকৃতিৰ লালন-পালন, সংৰক্ষণ আদিৰ জ্ঞানেৰে তেওঁলোক পৰিপুষ্ট। জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সকলো সম্বল প্ৰকৃতিৰ পৰাই আহৰণ কৰে। যেনে খাদ্য, বস্ত্ৰ, বাসস্থান নিৰ্মাণৰ আহিলা, ইন্ধন, ঔষধ আদি সকলো। প্ৰকৃতিৰ লগত একাত্ম হৈ জীৱন ধাৰণ কৰোঁতে প্ৰকৃতিৰ পৰাই কিছুমান জ্ঞান আহৰণ কৰে আৰু সেই জ্ঞান বিশেষ সম্প্ৰদায়টোৰ জীৱনৰ অপৰিহাৰ্য অংগ হৈ পৰে। এনেদৰে আহৰণ কৰা জ্ঞানকে থলুৱা জ্ঞান বা পৰম্পৰাগত প্ৰাকৃতিক জ্ঞান বুলি কোৱা হয়। লোকজীৱনৰ অন্তৰ্গত এই জ্ঞানসমূহ লোক-সংস্কৃতিৰো অন্যতম অংগ হৈ পৰে। যিহেতু সংস্কৃতি গতিশীল। তাৰ আওতাৰেই প্ৰাকৃতিক জ্ঞানসমূহো গতিশীল।





স্বকীয় ঐতিহ্য-পৰম্পৰাৰে সমৃদ্ধ যিকোনো সম্প্ৰদায়ৰ, বিশেষকৈ গ্ৰামাঞ্চলত বসবাস কৰা সম্প্ৰদায় এটাৰ প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণ আৰু পালনৰ ক্ষেত্ৰত এগৰাকী নাৰীৰ ভূমিকা উল্লেখযোগ্য। পৰিৱেশৰ লালন-পালন কৰা আৰু সযতনে সংৰক্ষণ কৰি পাছৰ প্ৰজন্মৰ হাতত তুলি দিয়াৰ ক্ষেত্ৰত এগৰাকী নাৰীৰ অৱদানো অতুলনীয়।

**(১) কৃষিৰ লগত জড়িত প্ৰাকৃতিক জ্ঞান আৰু নাৰী ঃ**

লোক-সংস্কৃতিৰ এক বিশেষ অংগ হৈছে পৰম্পৰাগত কৃষি পদ্ধতি আৰু তাৰ লগত জড়িত পৰম্পৰাগত ৰীতি-নীতিসমূহ। এই ৰীতি-নীতিসমূহ লোক-সংস্কৃতিৰ সম্পদ। খেতি কৰিবলৈ আৰম্ভ কৰাৰ পৰা খেতি চপোৱালৈকে থলুৱা সমাজ এখনত পৰম্পৰাগত কিছুমান লোকাচাৰ পালন কৰে। এই লোকাচাৰসমূহত প্ৰতিফলিত জ্ঞানবোৰ প্ৰকৃতিৰ বুকুৰ পৰা আহৰিত বিশ্বাসৰ জ্ঞান। এই জ্ঞানসমূহ বিশেষ সম্প্ৰদায় বা সমাজখনে নিজৰ সংস্কৃতিৰ মাজত কঢ়িয়াই লৈ ফুৰে।

কৃষিকাৰ্যৰ লগত জড়িত এনে কিছুমান নিয়ম বা লোকাচাৰ আছে যিসমূহ পূৰ্বৰে পৰা কেৱল নাৰী সকলেহে পালন কৰি আহিছে। যেনে- কঠীয়া সিঁচিবৰ বাবে বাছকবনীয়া ভাল চাই ধানখিনি তিয়াই, গজালি উলিয়াই কঠীয়া সিঁচিবৰ উপযুক্ত কৰা পৰ্যন্ত সকলোখিনি ঘৰখনৰ মহিলাগৰাকীয়েহে কৰে। পথাৰত প্ৰথম গোছ ৰোৱাৰ দিনা প্ৰত্যেক থলুৱা সমাজে নিজা কিছুমান নীতি-নিয়ম পালন কৰে। গোছ ৰোৱা দিনটো থলুৱা সমাজ এখনৰ বাবে সৰু-সুৰা এটি উৎসৱতকৈ কোনো গুণে কম নহয়। কৃষিকাৰ্যত পুৰুষ-মহিলা উভয়ে ভাগ লয় যদিও নীতি-নিয়মসমূহ পালন কৰাৰ দায়িত্ব সদায় নাৰীয়ে লৈ আহিছে। গোছ ৰোৱাৰ দিনা ঘৰখনৰ মূল নাৰীগৰাকীয়ে এখন আগলি কলপাতত এখনি থুৰীয়া তামোল, ক'লা কচুৰ পুলি, হেলচ গছৰ ডাল সহিতে ন কঠীয়া এমুঠি লৈ ৰুবলৈ লোৱা মাটিডৰাৰ একোণত কচু গছ আৰু হেলচ গছৰ ডাল গুজি দিয়ে। কচুগছে খুব সোনকালে বংশবৃদ্ধি কৰে। তেনেকৈয়ে কঠীয়াবোৰো যাতে লহপহকৈ বাঢ়ি বংশবৃদ্ধি কৰে তাৰেই কামনা কৰি কচু গছ ৰোৱা হয়। আনহাতে হেলচ গছৰ গুটিৰ যেনেকৈ লমালমে লাগি ডাল ভৰি পৰে তেনেকৈয়ে ধানৰ থোকবোৰো গুটি ধানেৰে ওপচি পৰাৰ বাবে প্ৰাৰ্থনা কৰি হেলচ গছৰ ডাল ৰোৱে। হেলচৰ পৰিৱৰ্তে যিকোনো সৰহকৈ গুটি লগা গছৰ ডাল ৰোৱাও দেখা যায়।

আকৌ ধান কাটি খেতি চপোৱাৰ সময়তো ঘৰৰ গৃহিণীগৰাকীয়ে নীতি-নিয়মৰ মাজেৰে লখিমী ঘৰলৈ আনে। খেতি চপোৱাৰ শেষৰ দিনা ঘৰৰ গৃহিণীগৰাকীয়ে কেইমুঠিমান ধান আৰু ধান দাওঁতে নৰানিৰ মাজে মাজে ৰৈ যোৱা ধানৰ আগসমূহ (যাক লেছেৰি বোলা হয়) কাটি চপাই এখন গামোচাত বান্ধে। গামোচাত বন্ধা লেছেৰি আৰু ধানৰ মুঠি মূৰত তুলি আনি ভঁৰালত থয়হি। এনেকৈ লখিমী আনোতে তেওঁ বাটত কাকো মাত-বোল নকৰে আৰু পিছলৈও উভতি নাচায়। সেয়া অশুভ বুলি জ্ঞান কৰা হয়।

কৃষিকাৰ্যৰ লগত জড়িত এনেধৰণৰ পৰম্পৰাগত ৰীতি-নীতিসমূহ থলুৱা সমাজ এখনৰ স্বকীয় লোকাচাৰ। এই লোকাচাৰসমূহ পালনৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই। অথচ তেওঁলোকে স্বকীয়তা বৰ্তাই ৰাখি প্ৰতিবছৰে কৃষিকৰ্মৰ সময়ত পালন কৰি আহিছে। উল্লিখিত নিয়মসমূহ থলুৱা সমাজখনৰ নাৰীসকলে লোকাচাৰৰ মাধ্যমেৰে সংৰক্ষণ কৰি আহিছে। এই নিয়ম তথা বিশ্বাসৰ জ্ঞানসমূহ কোনো গ্ৰন্থত লিপিবদ্ধ জ্ঞান নহয়। এনে জ্ঞানসমূহ মাকে জীয়েক বা শাহুৱেকে বোৱাৰীয়েকক প্ৰদান কৰি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই আনিছে আৰু এনেভাৱেই প্ৰকৃতিৰ লগত জড়িত জ্ঞানৰো সংৰক্ষণ কৰিছে।

**(২) পৰম্পৰাগত উৎসৱৰ লগত জড়িত প্ৰাকৃতিক জ্ঞান আৰু নাৰী ঃ**

পৰম্পৰাগত উৎসৱ লোকজীৱনৰ দাপোণস্বৰূপ। উৎসৱৰ লগত জড়িত বা উৎসৱৰ সময়ত পালন কৰা ৰীতি-নীতিসমূহ সেই বিশেষ সম্প্ৰদায়টোৰ স্বকীয় সম্পত্তি। এখন সমাজৰ এই নীতি-নিয়মসমূহ পুৰুষ-মহিলা উভয়েই পালন কৰি আহিছে। সময়ৰ বুকুত এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ ফুৰিছে; কিন্তু এইখিনিতে উল্লেখনীয় যে উৎসৱৰ লগত জড়িত এনে কিছুমান পৰম্পৰা আছে যিসমূহ কেৱল একোখন সমাজৰ নাৰীসকলেহে পালন কৰে। তেওঁলোকেই ইয়াৰ সংৰক্ষণৰ দায়িত্বভাৰো গ্ৰহণ কৰি আহিছে।

উদাহৰণস্বৰূপে, অসমীয়া জাতীয় জীৱনৰ আয়ুসৰেখাস্বৰূপ বাপতিসাহোন ৰঙালী বিহুটিৰ কথাকেই ক'ব পাৰি। গৰু বিহুৰ দিনাখন গৰুক গা-ধুৱাবৰ বাবে মাহ-হালধি বটি তৈয়াৰ কৰাৰ দায়িত্ব সদায় ঘৰখনৰ নাৰীগৰাকীয়েই কৰি আহিছে — যাতে বছৰটোৰ বাবে গৰুৰ গাত কোনোধৰণৰ বেমাৰ-আজাৰে লগ দিব নোৱাৰে। সন্ধিয়া আকৌ গৰু-গাই ঘৰলৈ ঘূৰাৰ পৰত পদূলিত যাগ দিয়া, নতুন পঘা কেইডাল যতনোৱা এইবোৰো ঘৰখনৰ মূল নাৰীগৰাকীৰেই কাম। "বেলি লহিয়ালেই। যাগকেইটা গোটাবৰো সময় হ'লহি, বুঢ়ীয়ে ভাবে। তুঁহগুৰি, বিহলঙনি, জেটুলীপকা, ধান খেৰৰ জুমুঠি আদিৰে পদূলিত এটা, চোতালত এটা, গোহালিৰ মুখত এটা তিনিটা যাগ গোটাই থৈ নতুনকৈ বটা তৰা পঘা কেডাল ধোঁৱা-চাঙখনৰ পৰা নমাই আনি দীঘলতী, মাখিয়তীকেইডালেৰে সৈতে বুঢ়ীয়ে যতনাই থয়। গৰুকেইটা আহিলেই পিঠা খুৱাই ন পঘা দি দীঘলতী, মাখিয়তীৰে কোবাই যাগকেইটা যে জ্বলাই দিব লাগিব আৰু সৰ্পভয় নিবাৰণৰ কাৰণে যে আজি ঘৰটোৰ চাৰিওপিনে নহৰু পানী ছটিয়াই দিব লাগিব, এই জনা কথাকেইটাৰো বুঢ়ীয়ে বোৱাৰীয়েকক আকৌ সোঁৱৰাই দিয়ে।"[১]

**(৩) লোকখাদ্যৰ লগত জড়িত প্ৰাকৃতিক জ্ঞান আৰু নাৰী ঃ**

লোক-সংস্কৃতিৰ অন্যতম উপাদান লোকখাদ্য। পৃথিৱীত বসবাস কৰা প্ৰত্যেক জাতি-জনগোষ্ঠীৰে স্বকীয় খাদ্যাভ্যাস আছে। এই খাদ্যাভ্যাস তেওঁলোকৰ সংস্কৃতিৰ পৰিচায়ক। লোকখাদ্য প্ৰস্তুতৰ বাবে যিসমূহ সামগ্ৰীৰ প্ৰয়োজন হয় সেই সকলোবোৰ প্ৰকৃতিৰ পৰা আহৰিত আৰু প্ৰকৃতিৰ বুকুত ই সহজলভ্য। এই থলুৱা খাদ্যসমূহ স্বাস্থ্যৰ পক্ষেও অতি উপকাৰী। লোকজীৱনৰ লগত এনে লোকখাদ্য বিশেষ একোখন সমাজৰ লোক-সংস্কৃতিৰ পৰিচায়ক।





খাদ্য প্ৰস্তুত বা ৰন্ধন প্ৰকৰণ বুলি ক'লেই এই কামৰ যেন উত্তৰাধিকাৰী নাৰীসমাজ। খাদ্যবস্তু সংগ্ৰহ আৰু সংৰক্ষণৰ লগতে খাবৰ উপযোগীকৈ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এখন সমাজত নাৰীৰ ভূমিকা সদায় প্ৰথম। উদাহৰণস্বৰূপে— অসমীয়া সমাজখনৰ লোকখাদ্যলৈ মন কৰিলে পৰিলক্ষিত হ'ব যে অসমীয়া সমাজৰ লোকখাদ্য অতি ব্যাপক আৰু বিচিত্ৰ। গতিকে গৱেষণা কৰ্মৰ মূল বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ দুবিধ লোকখাদ্যৰ সংৰক্ষণত নাৰীৰ ভূমিকা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**(ক) এশ এবিধ শাকৰ আঞ্জা ঃ**

অসমীয়া সমাজ জীৱনৰ এক এৰাব নোৱৰা লোকখাদ্য এশ এবিধ শাকৰ আঞ্জা। গৰু বিহুৰ দিনা ৰাতিলৈ প্ৰতিঘৰ অসমীয়া মানুহৰ ঘৰত এশ এবিধ শাকৰ আঞ্জা ৰন্ধা হয়। এই আঞ্জাখন প্ৰস্তুত কৰিবৰ বাবে প্ৰয়োজনীয় এশ এবিধ শাক প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰা আৰু তাক খাবৰ উপযোগীকৈ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ঘৰখনত মূল নাৰীগৰাকীয়ে আগ-ভাগ লয় বা সেয়া তেওঁৰ পৰম্পৰাগতভাৱে লাভ কৰা দায়িত্ব, এশ এবিধ শাকৰ প্ৰতিবিধ শাকেই স্বাস্থ্যসন্মত আৰু ঔষধি গুণসমূহ। বিশ্বাস কৰা হয় যে এই আঞ্জা খালে বছৰটোৰ বাবে দেহত ৰোগ-ব্যাধিয়ে অপকাৰ কৰিব নোৱাৰে। এই পৰম্পৰা যুগ যুগ ধৰি অসমীয়া সমাজে পালন কৰি আহিছে। এটা প্ৰজন্মৰ নাৰীয়ে পৰৱৰ্তী প্ৰজন্মক এশ এবিধ শাকৰ লগত পৰিচয় কৰায়। ৰন্ধন প্ৰণালী শিকাই অজ্ঞাতসাৰেই প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষকৰ ভূমিকা পালন কৰি আহিছে। আজিৰ সমাজত নাৰীয়ে হয়তো সম্পূৰ্ণ এশ এবিধ শাকৰ নাম মনত ৰাখিব নোৱাৰিব পাৰে; কিন্তু আইতা, আজো আইতাহঁতৰ মুখত আজিও এশ এবিধ শাকৰ নাম সুস্পষ্ট। আনফালে অসমৰ প্ৰকৃতিৰ বুকুত উপলব্ধ এশ এবিধ শাকে অসমৰ জৈৱ বৈচিত্ৰ্যৰ বিচিত্ৰতাকো প্ৰতিফলিত কৰিছে। সেই শাকসমূহ হৈছে "সৰু মাণিমুনি, সৰু পুৰৈ, বৰ পুৰৈ, নৰসিংহ, নেফাফু, ভাতমেটেকা, তিতাফুল (বাহক), জিলিমিলি, পচলা, জেতুলীপকা, মচন্দৰী, পানৌনোৱা, বনজালুক, কলমৌ, তংলতি, ঢেকীয়াশাক, পদিনা, মাটিখুটুৰা, কটাৰী দৰোৱা মাহ, পাটখুন্দা, চেংমৰা, ভেদাইলতা, হেলচী, খুটীয়া লফা, দোৰোণবন, তৰা গজালি, মেজেঙা, তিতাবাহক পাত, মেচাকি, লংকচি, তিতাকুচি, ভেকুৰি, হাতীভেকুৰি, উৰহী, হাতী উৰহী, ৰঙাপুৰৈ, নেঠেঙীয়া, ঢেকীয়ালতি, কপৌঢেকীয়া ইত্যাদি।"[২] অৱশ্যে ঠাইভেদে শাকসমূহৰ নামো বেলেগ হোৱা দেখা যায়।

**(খ) পৰম্পৰাগত পানীয় প্ৰস্তুত আৰু তাত ব্যৱহাৰ্য ঔষধ বা পিঠা ঃ**

প্ৰত্যেক জনগোষ্ঠীয় সমাজৰে নিজা পৰম্পৰাগত 'পানীয়' থাকে। এই পানীয় লোকখাদ্যৰ লগতে লোক-সংস্কৃতিৰো বিশেষ পৰিচায়ক। জনগোষ্ঠীয় সমাজত পূৰ্বৰে পৰা বৰ্তমানেও পানীয় প্ৰস্তুত নাৰীয়েহে কৰি আহিছে। পানীয় প্ৰস্তুত কৰিবৰ বাবে যি বিশেষ ঔষধৰ প্ৰয়োজন হয় সেই ঔষধো মহিলাসকলে প্ৰকৃতিৰ পৰা আহৰিত সামগ্ৰীৰে নিজেই ঘৰতে প্ৰস্তুত কৰি লয়। সময়ৰ স্তৰে স্তৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংৰক্ষণৰ ধাৰা অব্যাহত ৰাখি এই পৰম্পৰাগত পানীয় প্ৰস্তুতকৰণৰ প্ৰথা নাৰীসকলে আজিও পালন কৰি আছে। সমাজভেদে পানীয়ৰ নাম বেলেগ বেলেগ। আহোমসকলৰ

পৰম্পৰাগত পানীয়ক 'লাওপানী' , 'সাজ', 'দেওৰস', 'সোমৰস' আদি নামেৰে জনা যায়। "তদুপৰি ভাতৰ লগত বিশেষ 'দৰৱ' সানি লাওপানী তৈয়াৰ কৰা হৈছিল। পিঠাৰ লগত জালুক, কপৌটেঁকীয়া, পাতি সোন্দাৰ পাত, বনজালুক, টংলতিৰ পাত, জেতুলিপকাৰ পাত আদি খুন্দি 'দৰৱ' তৈয়াৰ কৰে। এই দৰৱ বৰা চাউলৰ ভাতৰ লগত সানি তিনিদিন গাপ্ দি থয়। তিনিদিনৰ মূৰত ৰহী পকিবলৈ ধৰে। তেতিয়া গাপ দিয়া ভাতখিনি জোখাৰে কলহত ভৰাই থয়। দিনচেৰেকৰ পাছত কলহটো ৰসেৰে উপচি পৰে।"[৩] থলুৱা সমাজ এখনৰ লোকখাদ্যাভ্যাস পৰম্পৰাগত পানীয় অবিহনে অসম্পূৰ্ণ। নাৰীসকলেই প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰা বনৌষধিৰে স্বাস্থ্য উপযোগী পানীয় প্ৰস্তুত কৰি পৰম্পৰা ৰক্ষা কৰি আহিছে।

৪। **পৰম্পৰাগত চিকিৎসা পদ্ধতি আৰু নাৰী ঃ**

আধুনিক চিকিৎসা বিজ্ঞানৰ আৰম্ভণিৰ পূৰ্বে একোখন সমাজৰ চিকিৎসা ব্যৱস্থা পৰম্পৰাগতভাৱেই প্ৰকৃতিৰ পৰা আহৰিত বনৌষধেৰেই কৰা হৈছিল। বহু অঞ্চলত বৰ্তমানেও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। থলুৱা লোকসকলে প্ৰকৃতিৰ বক্ষৰ পৰা চিকিৎসা-শাস্ত্ৰৰ জ্ঞান লাভ কৰিছিল। প্ৰকৃতিৰ সৈতে সহবাস কৰি মানুহ তথা অন্যান্য জীৱ-জন্তুৰ বাবেও চিকিৎসাৰ উপযোগী ঔষধৰ সন্ধান প্ৰকৃতিতেই পাইছিল। যুগ যুগ ধৰি প্ৰাকৃতিক পৰম্পৰাৰেই চিকিৎসা চলি থাকিল। প্ৰাকৃতিক চিকিৎসা পদ্ধতি দুই ধৰণৰ। এবিধ খোৱা আৰু এবিধ প্ৰলেপ লগোৱা। আজিও একবিংশ শতিকাত চিকিৎসা-বিজ্ঞান প্ৰযুক্তিৰ ক্ষিপ্ৰ প্ৰয়োগৰ সময়তো বহুতো ক্ষেত্ৰত প্ৰাকৃতিক চিকিৎসাক অগ্ৰাধিকাৰ দি আহিছে।

দৈনন্দিন জীৱনত প্ৰয়োগ হৈ থকা চিকিৎসাৰ ক্ষেত্ৰত বৰ্তমানেও নাৰীসকলে এক প্ৰকাৰৰ প্ৰাকৃতিক চিকিৎসকৰ ভূমিকা পালন কৰি আছে। গ্ৰাম্য সমাজৰ প্ৰায়বোৰ মহিলাই যিকোনো ৰোগৰ লক্ষণ, তাৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধ কি বেমাৰত কি ঔষধে আৰোগ্য কৰিব সেই সম্পৰ্কেও ভালদৰে অভিজ্ঞ। সৰু ল'ৰা-ছোৱালীৰ কাহ হ'লে মাক বা আইতাকে প্ৰথমে তুলসী আগৰ ৰসৰ লগত মৌ জোল মিহলাই খুৱায়। পেট পৰিষ্কাৰ বা কৃমি পেলুৰ পৰা ৰক্ষা পাবৰ বাবে চিৰতা তিতা, শুকুতা তিতা গছৰ পাত আনি তিয়াই থৈ ৰাতিপুৱা সন্তানক খালী পেটত খাবলৈ দিয়াৰ দায়িত্ব মাকেহে ভালকৈ পালন কৰে। এনে আৰু বহু ৰোগৰ চিকিৎসা বনৌষধিৰেই কৰা হয়। অৱশ্যে এই বনৌষধিবোৰৰ স্বাস্থ্যসন্মত গুণাগুণক অস্বীকাৰ কৰিব নোৱাৰি। মূৰৰ বিষ, পেটৰ বিষ, ছাল-চুলিৰ বিভিন্ন ৰোগ, মহিলাৰ বিভিন্ন ৰোগ আদি বিধিসন্মত প্ৰাকৃতিক ঔষধেৰে চিকিৎসা কৰাৰ জ্ঞান থলুৱা সমাজৰ প্ৰায় মহিলাই জানে বুলিলেও অত্যুক্তি কৰা নহয়।

"গাঁৱলীয়া তিৰোতাৰ অস্ত্ৰোপ্ৰচাৰ সম্বন্ধেও যৎসামান্য জ্ঞান নোহোৱা নহয়। গৰ্ভতে মৃত্যু হোৱা সন্তানৰ প্ৰসৱ, সন্তান ওপজাৰ পিছত বাঁহৰ চোঁচেৰে নাই কটা, পোৱাতীৰ ফুল পৰাত সহায় কৰা কাৰ্য গাঁৱৰ বহু তিৰোতাই পাৰদৰ্শিতাৰে সম্পাদন কৰে। ল'ৰা-ছোৱালীৰ খহু, গাৰ বিহ-ফোঁড়াত পকনি দি (প্ৰলেপ) পকুৱাই তথা কাঁইটেৰে খুঁচি অথবা তীক্ষ্ণ অস্ত্ৰেৰে ফালি পূজ উলিয়াই শুকনি দৰৱ দি শুকুৱাব জানে।"[৪]

উল্লিখিত কৰা আলোচনাৰ পৰা এটা কথা স্পষ্টকৈ পৰিলক্ষিত হয় যে- প্ৰকৃতিৰ পৰা আহৰিত





জ্ঞানেৰে পৰিপুষ্ট হৈ মানুহে জীৱন-নিৰ্বাহ কৰি আছে। মানৱজাতিয়ে প্ৰাকৃতিক জ্ঞানসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সম্প্ৰসাৰণ কৰি সংৰক্ষণৰ গতিধাৰা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত নাৰীসকলে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। "গাঁৱৰ ভাষা-সংস্কৃতিৰ সংৰক্ষক তিৰোতাসকলেই বুলি অন্য প্ৰসংগত কোৱা হৈছে। বাহিৰৰ লগত আদান-প্ৰদান অহা-যোৱা নোহোৱাত তিৰোতাসকলৰ ধৰ্মবিশ্বাস, আচাৰ-নীতি সাধাৰণতে ৰক্ষণশীল। তিৰোতাৰ এই ৰক্ষণশীল স্বভাৱ এপিনে যেনেকৈ আমাৰ লোক-সাহিত্য (সাঁথৰ, যোঁজনা, নিচুকনি গীত, বিয়ানাম), সাজ-পাৰ, অলংকাৰ আদি প্ৰাচীন-সাংস্কৃতিক ঐতিহ্য জীয়াই ৰাখিছে, সেইদৰে অসমীয়াৰ ভেষজ জ্ঞান-ভাণ্ডাৰকো ৰক্ষা কৰি আহিছে।"[৫]

**সিদ্ধান্ত ঃ**

"লোক-সংস্কৃতিৰ জৰিয়তে থলুৱা প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণত নাৰীৰ ভূমিকা" শীৰ্ষক প্ৰস্তাৱিত গৱেষণাপত্ৰখনি অধ্যয়ন কৰাৰ অন্তত কেতবোৰ সিদ্ধান্তত উপনীত হ'ব পৰা গ'ল ঃ

১। থলুৱা সমাজ এখনত নাৰীসকলে প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষক হিচাপে জ্ঞাত বা অজ্ঞাতভাৱে কাম কৰি আহিছে।

২। প্ৰাকৃতিক জ্ঞানসমূহক সামাজিক লোকাচাৰৰ ভিতৰুৱা কৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নাৰীয়েই জ্ঞানবাহনৰ দায়িত্ব পালন কৰি সংৰক্ষণ কৰিছে।

৩। পৰম্পৰাগত কৃষিপদ্ধতি, উৎসৱ-পাৰ্বণ, খাদ্যাভ্যাস, চিকিৎসা আদিকে ধৰি দৈনন্দিন জীৱনৰ সকলোবোৰ ক্ষেত্ৰত প্ৰাকৃতিকভাৱে আহৰিত জ্ঞানসমূহ প্ৰয়োগ বৰ্তমানেও নাৰীসমাজে নিজৰ লগতে সমাজখনতো জীয়াই ৰাখিছে।

**সামৰণি ঃ**

মূল বিষয়ৰ আলোচনাৰ পৰা হয়তো প্ৰশ্ন উত্থাপিত হ'ব পাৰে যে পুৰুষসকলৰ প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণত কোনোধৰণৰ অৱদান নাই নেকি? উত্তৰ হিচাপে উল্লেখনীয় হ'ব যে মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰাধান্য কমি আহি পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ লগে লগে নাৰী-পুৰুষৰ মাজৰ কাম-কাজসমূহলৈও বিভাজন আহিল। পূৰ্বতে পুৰুষ নাৰী উভয়ে সকলো কাম একেলগে কৰিছিল। একেলগে চিকাৰ কৰিবলৈ গৈছিল, শস্য উৎপাদন কৰিছিল। সময় পৰিৱৰ্তনৰ লগে লগে পুৰুষতান্ত্ৰিক উত্তৰাধিকাৰীৰ কথা আহিল, সম্পত্তিৰ অধিকাৰ আহিল, যাৰ ফলত নাৰী-পুৰুষৰ দায়িত্বসমূহো পৃথক পৃথক হ'ল। ঘৰৰ ভিতৰুৱা কাম-কাজ যেনে ৰন্ধা-বঢ়া, সম্পত্তিৰ হিচাপ ৰখা, হাঁহ-কুকুৰা পোহা। নিজৰ সন্তান প্ৰতিপালন কৰা আদি দায়িত্ববোৰ মহিলাসকলৰ ওপৰত দিয়া হ'ল। আদিম সমাজৰ এই পৰম্পৰা আজিও খিলঞ্জীয়া নাৰীসকলৰ মাজত প্ৰতিফলিত হয়। বাহিৰৰ সমাজখনৰ পৰা ভিতৰলৈ সোমাই নাৰীসকলে তেওঁলোকৰ মাজত গঢ়ি তুলিছিল এখন সংৰক্ষণশীল সমাজ। সেই সমাজখনত নাৰীয়ে আহৰণ কৰা প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণ হৈছিল। সমাজ জীৱনৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিকভাৱে আহৰিত জ্ঞানসমূহ মাকৰ পৰা জীয়েকে, শাহুৰ পৰা বোৱাৰীয়েকে শিকিছিল আৰু এইদৰে মৌখিক জ্ঞানসমূহ লোক-সংস্কৃতিৰো অন্তৰ্ভুক্ত হৈ পৰিল।

এনেভাৱেই নাৰীয়ে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ লোক-সংস্কৃতিৰ অন্তৰ্গত জ্ঞান প্ৰদান কৰি প্ৰাকৃতিক জ্ঞানৰ সংৰক্ষণৰ গুৰু দায়িত্ব আজিও পালন কৰি আহিছে।

**প্ৰসংগ-টীকা ঃ**

১। নিৰ্মলপ্ৰভা বৰদলৈ, *অসমৰ লোক-সংস্কৃতি*, পৃ. ১৬৪

২। অংশুমান দাস, *দুটিমান আলোচনা*, পৃ. ৬৮

৩। লীলা গগৈ, *অসমৰ সংস্কৃতি*, পৃ. ১৫১

৪। নিৰ্মলপ্ৰভা বৰদলৈ, *অসমৰ লোকসংস্কৃতি*, পৃ. ১৫১

৫। উল্লিখিত পৃ. ১৫০

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া ঃ**

গগৈ, লীলা. *অসমৰ সংস্কৃতি*, বনলতা, ডিব্ৰুগড়, পঞ্চম সংস্কৰণ, ১৯৯৪

গগৈ, লীলা. *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৭

দাস অংশুমান. *দুটিমান আলোচনা,*পূৰ্বোত্তৰ প্ৰকাশন, নগাঁও, প্ৰথম প্ৰকাশ, ২০১২

দাস, নাৰায়ণ (সম্পা), ৰাজবংশী, পৰমানন্দ (সম্পা). *অসমীয়া সংস্কৃতিৰ কণিকা,* প্ৰকাশন গোট, স্নাতকোত্তৰ অসমীয়া অধ্যয়ন কেন্দ্ৰ, অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, প্ৰথম প্ৰকাশ, ১৯৯৬

বৰুৱা, অতুলচন্দ্ৰ. *অসমীয়া লোকসাহিত্য,* অসম বুক দিপো, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮১

বৰদলৈ, নিৰ্মলপ্ৰভা. *অসমৰ লোকসংস্কৃতি,* বীণা লাইব্ৰেৰী, প্ৰথম প্ৰকাশ, ২০১২

শৰ্মা, নবীনচন্দ্ৰ. *অসমীয়া লোক-সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, পঞ্চম প্ৰকাশ, ২০১১

শৰ্মা, নবীনচন্দ্ৰ (সম্পা). *অসমৰ সংস্কৃতি সমীক্ষা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০১.

**ইংৰাজী ঃ**

B. Mahadevan Vinayak Rajat Bhat Nagendra Pavana R.N : Introduction to INDIAN KNOWLEDGE SYSTEM : Concept and Application, PHL Learning Publication May, 2022 print

Jha, Amit : Praditional Knowledge System in India, Atlantic Publishers and Distributors(p) Ltd, 1 July 2022

Joe L. kincheloe : What is Indigenous knowledge? : Voices from the Academy, Routledge publisher, 2002 print